# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

কাইলৈ মুক্তি পাবলগীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জীৱনৰ শেষৰখন ছবি **ৰৈ ৰৈ বিনালে**ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে এমাহত সংগ্ৰহ কৰা জি এছ টিৰ ধনৰাশি কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক ওভতাই দিয়া হ'ব। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ সৈতে আলোচনাৰ অন্তত শিল্পীগৰাকীয়ে প্ৰতিষ্ঠা কৰা কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক এই ধন প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দিশপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এইকথা প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে অসমত কোনো ছবিৰ বাবে মনোৰঞ্জন কৰ লোৱা নহয় যদিও কেন্দ্ৰীয় চৰকাৰে ছবিৰ টিকটৰ বিনিময়ত কৰ সংগ্ৰহ কৰে। এশ টকাতকৈ অধিক মূল্যৰ টিকটত ১৮ শতাংশ আৰু এশ টকাতকৈ কম মূল্যৰ টিকটত ৫ শতাংশ জি এছ টি সংগ্ৰহ কৰা হয়। এমাহৰ পাছত সংগ্ৰহ কৰা মুঠ জি এছ টিৰ ৫০ শতাংশ ৰাজ্য চৰকাৰক ওভতাই দিয়ে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট (চি এম)**

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে লখিমপুৰত উপস্থিত হ'বলগীয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি উত্তৰ লখিমপুৰৰ খেলমাটিত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ১৭ ফুট উচ্চতাৰ ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। তদুপৰি ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিৱমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ ২ কোটি ৮৭ লাখ টকাৰে নিৰ্মাণ কৰা পথছোৱাও তেওঁ উদ্বোধন কৰিব। কাইলৈ তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। এই অনুষ্ঠানত লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা, নৱকুমাৰ দলে আৰু ড০ অমিয় কুমাৰ ভূঞায়ো অংশগ্ৰহণ কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উদ্দেশি ভাষণ দিব। ড° শৰ্মাই কাইলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

০০০০০০

ৰাজ্যৰ কৰ্মচাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ সমহাৰত দৰমহা আৰু অন্যান্য সা-সুবিধা লাভ কৰিব পৰাকৈ শীঘ্ৰেই অসমত অষ্টম দৰমহা আয়োগ গঠন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত আয়ুষ্মান অসম- মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা আনুষ্ঠানিকভাৱে মুকলি কৰি দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰে। দৰমহা আয়োগ গঠন সন্দৰ্ভত কৰ্মচাৰী সংগঠনসমূহৰ কোনো পৰামৰ্শ থাকিলে ১৫ দিনৰ ভিতৰত ৰাজ্যৰ মুখ্য

সচিবক জমা দিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। উল্লেখযোগ্য যে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে কৰ্মচাৰীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰিছে। আয়োগৰ নিৰ্দিষ্ট প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে শীঘ্ৰেই দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ ভিত্তিত দৰমহা, পাৰিতোষিক আৰু অৱসৰকালীন সা-সুবিধাসমূহ বৃদ্ধি কৰা হ'ব। মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়, যে ৰাজ্যত দৰমহা আয়োগ গঠন কৰি কৰ্মচাৰীসকলক কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ সমহাৰত দৰমহা আৰু সা-সুবিধা দিয়াৰ বাবে পৰিকল্পনা লোৱা হৈছে, যাতে ৰাজ্যিক কৰ্মচাৰীসকলে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা দিনাৰ পৰাই এই সা-সুবিধাসমূহ পাব পাৰে। মুখ্যমন্ত্ৰীৰ এই ঘোষণাক সদৌ অসম কৰ্মচাৰী পৰিষদে আদৰণি জনাইছে। ইয়াৰ আগেয়ে আয়ুষ্মান অসম- মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই যোজনাৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যসকলে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কালি আনুষ্ঠানিকভাৱে এই যোজনাৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে স্বাস্থ্য পত্ৰ প্ৰদান কৰে।

এই পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে ৰাজ্যৰ কেতবোৰ অনুমোদিত চিকিৎসালয়ৰ উপৰি দেশৰ কেবাখনো আগশাৰীৰ চিকিৎসালয়ত নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব পাৰিব।

০০০০০০

জনপ্ৰিয় সংগীতজ্ঞ, গীতিকাৰ, সুৰকাৰ, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান উপস্থাপক চৈয়দ ছাদুল্লা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। কিছুদিন ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ থকাৰ পাছত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। শুভাকাংক্ষীসকলে তেওঁৰ আশু-আৰোগ্য কামনা কৰিছে।

০০০০০০

সমাপ্ত